# 2022

## EDUCATION

( Regular Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer any One Option*

OPTION—A

Paper : EDU–RE–5016

**( Continuing Education )**

1. Answer any *ten* from the following questions : 1×10=10

তলৰ প্ৰশ্নসমূহৰ পৰা যি কোনো দহটাৰ উত্তৰ দিয়া :

*(a)* Mention one characteristic of continuing education.

অবিৰত শিক্ষাৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

*(b)* What is extension education?

সম্প্ৰসাৰণ শিক্ষা কি?

*( Turn Over )*

(c) Mention one major objective of continuing education.

অবিৰত শিক্ষাৰ এটা প্ৰধান উদ্দেশ্য উল্লেখ কৰা।

(d) What is mass media?

গণ-মাধ্যম কি?

(e) Mention one importance of television in continuing education.

অবিৰত শিক্ষাত দূৰদৰ্শনৰ এটা গুৰুত্ব উল্লেখ কৰা।

(f) Who had evolved the 'project method'?

'প্ৰকল্প পদ্ধতি' কোনে উলিয়াইছিল?

(g) What is open education?

মুক্ত শিক্ষা কি?

(h) Mention one objective of open education.

মুক্ত শিক্ষাৰ এটা উদ্দেশ্য উল্লেখ কৰা।

(i) When was the Krishna Kanta Handique State Open University established?

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়খন কেতিয়া প্ৰতিষ্ঠা কৰা হৈছিল?

(j) Mention any one agency of open education.

মুক্ত শিক্ষাৰ যি কোনো এটা অভিকৰণ উল্লেখ কৰা।

(k) In which year was Gram Shikshan Mohim Programme formed?

গ্ৰাম শিক্ষণ মহিম আঁচনি কোন চনত গঠন কৰা হৈছিল?

(l) In which year was National Literacy Mission formed?

ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন কোন চনত গঠন কৰা হৈছিল?

(m) What is adult education?

প্ৰাপ্তবয়স্ক শিক্ষা কি?

(n) Mention one objective of Jana Shikshan Nilayam.

জন শিক্ষণ নিলয়মৰ এটা উদ্দেশ্য উল্লেখ কৰা।

(o) Who was the Prime Minister of India at the time of commencement of Saakshar Bharat Mission?

সাক্ষৰ ভাৰত মিছন আৰম্ভ হোৱাৰ সময়ছোৱাত ভাৰতৰ প্ৰধানমন্ত্ৰী কোন আছিল?

(p) Which method of teaching is recognised as 'World Method' by UNESCO?

UNESCOৱে কোনটো শিক্ষণ পদ্ধতিক 'বিশ্ব পদ্ধতি' হিচাপে স্বীকৃতি দিছে?

(q) Who gave importance on 'each one teach one' strategy?

'প্ৰতিজন লোকে একোজনক শিক্ষা দিয়া'ৰ ওপৰত কোনে গুৰুত্ব আৰোপ কৰিছিল?

(r) What is Saakshar Bharat Mission?

সাক্ষৰ ভাৰত মিছন কি?

2. Answer any *five* from the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ পৰা যি কোনো পাঁচটাৰ উত্তৰ দিয়া :

(a) Write two significances of continuing education.

অবিৰত শিক্ষাৰ দুটা তাৎপৰ্য লিখা।

(b) Write any two natures of fundamental education.

মৌলিক শিক্ষাৰ যি কোনো দুটা প্ৰকৃতি লিখা।

(c) Write two important functions of mass media.

গণ-মাধ্যমৰ দুটা গুৰুত্বপূৰ্ণ কাৰ্য লিখা।

(d) Write any two methods of continuing education.

অবিৰত শিক্ষাৰ যি কোনো দুটা পদ্ধতি লিখা।

(e) Write any two characteristics of open education.

মুক্ত শিক্ষাৰ যি কোনো দুটা বৈশিষ্ট্য লিখা।

(f) What is social education?

সামাজিক শিক্ষা কি?

(g) Write any two characteristics of open school.

মুক্ত বিদ্যালয়ৰ যি কোনো দুটা বৈশিষ্ট্য লিখা।

(h) Write any two important problems of adult education.

প্ৰাপ্তবয়স্ক শিক্ষাৰ যি কোনো দুটা গুৰুত্বপূৰ্ণ সমস্যা লিখা।

(i) Write any two ways to implement post-literacy programme.

উত্তৰ-সাক্ষৰতা কাৰ্যসূচী প্ৰয়োগ কৰাৰ যি কোনো দুটা উপায় লিখা।

(j) Write any two objectives of Saakshar Bharat Mission.

সাক্ষৰ ভাৰত মিছনৰ যি কোনো দুটা উদ্দেশ্য লিখা।

3. Answer any *four* from the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ পৰা যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Write about the nature of social education.

সামাজিক শিক্ষাৰ প্ৰকৃতিৰ বিষয়ে লিখা।

(b) Write about the scope of continuing education.

অবিৰত শিক্ষাৰ পৰিসৰৰ বিষয়ে লিখা।

(c) Write about the importance of radio in continuing education.

অবিৰত শিক্ষাত ৰেডিঅ'ৰ গুৰুত্ব সম্পৰ্কে লিখা।

(d) Write about the problems of continuing education in India.

ভাৰতবৰ্ষত অবিৰত শিক্ষাৰ সমস্যাবোৰৰ বিষয়ে লিখা।

(e) Write five advantages of open education.

মুক্ত শিক্ষাৰ পাঁচটা সুবিধা লিখা।

(f) Write about the role of NIOS in the context of present society.

বৰ্তমান সমাজৰ পৰিপ্ৰেক্ষিতত NIOS-ৰ ভূমিকাৰ বিষয়ে লিখা।

(g) Write about the methods of teaching adults.

প্ৰাপ্তবয়স্কৰ শিক্ষণ পদ্ধতি সম্পৰ্কে লিখা।

(h) Write about the characteristics of National Literacy Mission.

ৰাষ্ট্ৰীয় সাক্ষৰতা মিছনৰ বৈশিষ্ট্যসমূহৰ বিষয়ে লিখা।

4. Answer any *four* from the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ পৰা যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Define continuing education. Discuss about the agencies of continuing education. 2+8=10

অবিৰত শিক্ষাৰ সংজ্ঞা দিয়া। অবিৰত শিক্ষাৰ অভিকৰণসমূহৰ বিষয়ে আলোচনা কৰা।

(b) Discuss about the functions of continuing education.

অবিৰত শিক্ষাৰ কাৰ্যসমূহৰ বিষয়ে আলোচনা কৰা।

(c) What are the strategies and devices used in imparting continuing education? Discuss.

অবিৰত শিক্ষা-প্ৰদান কাৰ্যত ব্যৱহৃত কৌশল আৰু আহিলাবোৰ কি কি? আলোচনা কৰা।

(d) Discuss about the role of open university in continuing education.

অবিৰত শিক্ষাত মুক্ত বিশ্ববিদ্যালয়ৰ ভূমিকাৰ বিষয়ে লিখা।

(e) Write about the measures to solve the problems of continuing education.

অবিৰত শিক্ষাৰ সমস্যাসমূহ সমাধানৰ উপায়বোৰৰ বিষয়ে লিখা।

*(f)* What is open university? Write about the characteristics of open university. 2+8=10

মুক্ত বিশ্ববিদ্যালয় কি? মুক্ত বিশ্ববিদ্যালয়ৰ বৈশিষ্ট্যসমূহৰ বিষয়ে লিখা।

*(g)* Discuss about the development of adult education in India.

ভাৰতবৰ্ষত প্ৰাপ্তবয়স্ক শিক্ষাৰ বিকাশৰ বিষয়ে আলোচনা কৰা।

*(h)* What type of programme is planned for the adult education of rural women in Assam? Discuss.

অসমত গ্ৰাম্য অঞ্চলৰ প্ৰাপ্তবয়স্ক মহিলাসকলৰ বাবে কেনেধৰণৰ শিক্ষা আঁচনিৰ পৰিকল্পনা কৰা হৈছে? আলোচনা কৰা।

*(i)* Discuss about the Total Literacy Campaign Programme.

পূৰ্ণ সাক্ষৰতা অভিযান আঁচনিৰ বিষয়ে আলোচনা কৰা।

*(j)* What is post-literacy programme? Discuss about the objectives of post-literacy programme. 2+8=10

উত্তৰ-সাক্ষৰতা কাৰ্যসূচী কি? উত্তৰ-সাক্ষৰতা কাৰ্যসূচীৰ উদ্দেশ্যসমূহ আলোচনা কৰা।

OPTION—B

Paper : EDU–RE–5026

**( Developmental Psychology )**

**1.** Answer any *ten* from the following as directed : 1×10=10

তলত দিয়াসমূহৰ পৰা নিৰ্দেশানুসৰি যি কোনো দহটাৰ উত্তৰ দিয়া :

*(a)* Who is the father of Developmental Psychology?

বিকাশাত্মক মনোবিজ্ঞানৰ পিতৃ কোন ?

*(b)* The pre-natal stage of development is divided into germinal stage, embryonic stage and _____ stage.

**(Fill in the blank)**

গৰ্ভকালীন অৱস্থাৰ বিকাশক ডিম্বকোষৰ পৰ্যায়, ভ্ৰূণৰ প্ৰাথমিক পৰ্যায় আৰু _____ পৰ্যায়ত বিভক্ত কৰা হৈছে।

(খালী ঠাই পূৰ কৰা)

*(c)* What is rating scale?

মান নিৰূপক কঠী কি ?

(d) Where was the first psychological laboratory established?

মনোবিজ্ঞানৰ পৰীক্ষাগাৰ পোনপ্ৰথমে ক'ত স্থাপন কৰা হৈছিল ?

(e) What is the meaning of the term 'infans'?

'Infans' শব্দৰ অৰ্থ কি ?

(f) Imitation is a method of child's motor development.

(Write True or False)

অনুকৰণ শিশুৰ সঞ্চালন ক্ষমতাৰ বিকাশৰ এক পদ্ধতি।

(শুদ্ধ নে অশুদ্ধ লিখা)

(g) Mention one characteristic of child's emotional development.

শিশুৰ আৱেগিক বিকাশৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

(h) "Adolescence is a period of stress and strain." Who said the statement?

"কৈশোৰকাল ধুমুহা আৰু পীড়নৰ সময়।" কথাষাৰ কোনে কৈছিল ?

(i) From which language the word 'Adolescence' has come?

'Adolescence' শব্দটো কোন ভাষাৰ পৰা আহিছে ?

*(j)* Gang loyalty is one of the characteristics of adolescence.

(Write True or False)

দলানুগত্য হ'ল কৈশোৰকালৰ এক বৈশিষ্ট্য।

(শুদ্ধ নে অশুদ্ধ লিখা)

*(k)* Mention one major characteristic of intellectual development of adolescence period.

কৈশোৰকালৰ বৌদ্ধিক বিকাশৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য উল্লেখ কৰা।

*(l)* What are the main two types of childhood?

বাল্যকালৰ প্ৰধান ভাগ দুটা কি কি?

*(m)* During childhood, the speed of physical development is ______.

(Fill in the blank)

বাল্যকালত দৈহিক বিকাশৰ গতি ______ হয়।

(খালী ঠাই পূৰ কৰা)

*(n)* What is social maturity?

সামাজিক পৰিপক্কতা মানে কি?

( Turn Over )

(o) The time period of childhood is from _____ to _____.

(Fill in the blanks)

বাল্যকালৰ সময়ছোৱা হ'ল _____ পৰা _____ বছৰলৈ।

(খালী ঠাইবোৰ পূৰ কৰা)

(p) Mention any one technique of adjustment.

সমাযোজনৰ যি কোনো এটা কৌশল উল্লেখ কৰা।

(q) Mention any one negative influence of peers in social development of adolescents.

কিশোৰ-কিশোৰীৰ সামাজিক বিকাশত সমনীয়াৰ যি কোনো এটা নেতিবাচক প্ৰভাৱ উল্লেখ কৰা।

(r) Mention one characteristic of delinquency.

অপৰাধ প্ৰৱণতাৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

2. Answer any *five* from the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ পৰা যি কোনো পাঁচটাৰ উত্তৰ দিয়া :

(a) Write any two strengths of observation method.

নিৰীক্ষণ পদ্ধতিৰ যি কোনো দুটা সবলতা লিখা।

(b) Write any two characteristics of pre-natal development.

জন্ম-পূৰ্ব বা গৰ্ভকালীন অৱস্থাৰ বিকাশৰ যি কোনো দুটা বৈশিষ্ট্য লিখা।

(c) Write any two characteristics of infancy.

শৈশৱকালৰ যি কোনো দুটা বৈশিষ্ট্য লিখা।

(d) Write two aspects that affect language development of children.

শিশুৰ ভাষাৰ বিকাশক প্ৰভাৱিত কৰা দুটা দিশ উল্লেখ কৰা।

(e) What do you mean by 'schooling age'?

'বিদ্যালয় কাল' বুলিলে কি বুজা?

(f) What is personality development?

ব্যক্তিত্ব বিকাশ বুলিলে কি বুজা?

(g) Write two reasons for the need of studying adolescence behaviour.

কৈশোৰৰ আচৰণ অধ্যয়নৰ প্ৰয়োজনীয়তাৰ দুটা কাৰণ লিখা।

(h) What is hero worshipping?

বীৰপূজা মানে কি?

(i) Write any two environmental factors which affect the social adjustment of adolescents.

কিশোৰ-কিশোৰীৰ সামাজিক সমাযোজনক প্ৰভাৱিত কৰা যি কোনো দুটা পৰিৱেশীয় কাৰক উল্লেখ কৰা।

(j) Write any two characteristics of emotional development of adolescence period.

কৈশোৰকালৰ আৱেগিক বিকাশৰ যি কোনো দুটা বৈশিষ্ট্য লিখা।

3. Answer any *four* from the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ পৰা যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Write any five precautionary measures to be taken in pre-natal development.

গৰ্ভকালীন অৱস্থাত ল'বলগা যি কোনো পাঁচটা সাৱধানতা লিখা।

(b) Write about the experimental method.

পৰীক্ষণ পদ্ধতি সম্পৰ্কে লিখা।

(c) Write any five conditions that affect parental attitude towards the infant.

শিশুৰ প্ৰতি অভিভাৱকৰ মনোভাৱক প্ৰভাৱিত কৰা যি কোনো পাঁচটা চৰ্ত লিখা।



( Continued )

(d) Write about the emotional development of childhood.

বাল্যকালৰ আৱেগিক বিকাশৰ বিষয়ে লিখা।

(e) Write about the influence of family on personality development of childhood.

বাল্যকালৰ ব্যক্তিত্ব বিকাশত পৰিয়ালৰ প্ৰভাৱৰ বিষয়ে লিখা।

(f) Write any five characteristics of adolescence period.

কৈশোৰকালৰ যি কোনো পাঁচটা বৈশিষ্ট্য লিখা।

(g) Write about five causes of delinquency.

অপৰাধ প্ৰৱণতাৰ পাঁচটা কাৰণ লিখা।

(h) Write any five adjustment problems of adolescence.

কৈশোৰকালৰ যি কোনো পাঁচটা সমাযোজনৰ সমস্যা লিখা।

4. Answer any *four* from the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ পৰা যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) What is developmental psychology? Discuss about the scope of developmental psychology. 2+8=10

বিকাশাত্মক মনোবিজ্ঞান কি? বিকাশাত্মক মনোবিজ্ঞানৰ পৰিসৰ সম্পৰ্কে আলোচনা কৰা।

(b) Discuss about the periods of pre-natal development.

জন্ম-পূৰ্বৰ বা গৰ্ভকালীন অৱস্থাৰ বিকাশৰ সময়সূচীৰ বিষয়ে আলোচনা কৰা।

(c) What is motor development? Discuss about the aspects that influence development of child's motor ability. 2+8=10

সঞ্চালনাত্মক বিকাশ কি? শিশুৰ সঞ্চালন ক্ষমতাৰ বিকাশত প্ৰভাৱিত কৰা দিশসমূহ আলোচনা কৰা।

(d) What are the characteristics of physical development of infants? Discuss.

শিশুৰ শাৰীৰিক বিকাশৰ বৈশিষ্ট্যসমূহ কি কি? আলোচনা কৰা।

(e) Discuss about the physical changes of adolescence period.

কৈশোৰকালৰ দৈহিক পৰিৱৰ্তনৰ বিষয়ে আলোচনা কৰা।

(f) Discuss about the role of school in social development of childhood.

বাল্যকালৰ সামাজিক বিকাশত বিদ্যালয়ৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

*(g)* Discuss about the educational implications of intellectual development during adolescence.

কৈশোৰকালত বৌদ্ধিক বিকাশৰ শৈক্ষিক তাৎপৰ্যৰ বিষয়ে আলোচনা কৰা।

*(h)* Describe the role of family and peers in social development of adolescents. 5+5=10

কিশোৰ-কিশোৰীৰ সামাজিক বিকাশত পৰিয়াল আৰু সমনীয়াৰ ভূমিকাৰ বিষয়ে বৰ্ণনা কৰা।

*(i)* What is meant by adjustment? Write the measures to solve the problems of adjustment. 2+8=10

সমাযোজন বুলিলে কি বুজা? সমাযোজনৰ সমস্যা সমাধানৰ উপায়বোৰ লিখা।

*(j)* Why is adolescent period termed as a transitional period of life? Discuss.

কৈশোৰকালক জীৱনৰ অৱস্থান্তৰ প্ৰাপ্তিকাল বুলি কিয় কোৱা হয়? আলোচনা কৰা।

## OPTION—C

## Paper : EDU–RE–5036

## ( Human Rights Education )

1. Answer any *ten* from the following as directed : 1×10=10

তলত দিয়াসমূহৰ পৰা নিৰ্দেশানুসৰি যি কোনো দহটাৰ উত্তৰ দিয়া :

*(a)* Human rights are inherent.

(Write True or False)

মানৱ অধিকাৰবোৰ জন্মগত।

(শুদ্ধ নে অশুদ্ধ লিখা)

*(b)* Who adopted the landmark document 'The Universal Declaration of Human Rights'?

*(i)* UNESCO

*(ii)* UNICEF

*(iii)* WHO

*(iv)* None of the above

(Choose the correct answer)

'মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা-পত্ৰ' এই বিখ্যাত নথিখন কোনে গ্ৰহণ কৰিছিল ?

*(i)* UNESCO

*(ii)* UNICEF

*(iii)* WHO

*(iv)* ওপৰৰ এটাও নহয়

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(c) The Human Rights Day is observed on _____.

(Fill in the blank)

মানৱ অধিকাৰ দিৱস _____ পালন কৰা হয়।

(খালী ঠাই পূৰ কৰা)

(d) Write any one objective of human rights education.

মানৱ অধিকাৰ শিক্ষাৰ যি কোনো এটা উদ্দেশ্য লিখা।

(e) In which year was the Charter of United Nations signed?

কোন চনত ৰাষ্ট্ৰসংঘৰ চনদখন স্বাক্ষৰিত হয়?

(f) How many articles are there in the Universal Declaration of Human Rights?

ৰাষ্ট্ৰসংঘৰ সাৰ্বজনীন ঘোষণা-পত্ৰত কেইটা অনুচ্ছেদ আছে?

(g) Mention any one educational right of individual.

ব্যক্তিৰ যি কোনো এটা শৈক্ষিক অধিকাৰ উল্লেখ কৰা।

(h) In which Article of the Constitution of India, right to education is guaranteed?

ভাৰতীয় সংবিধানৰ কোনটো অনুচ্ছেদত শিক্ষাৰ অধিকাৰ নিশ্চিত কৰা হৈছে?

*(i)* When was the National Human Rights Commission of India constituted?

ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ কেতিয়া গঠন কৰা হৈছিল ?

*(j)* Who is the current Chairman of the National Commission for Women of India?

ভাৰতবৰ্ষৰ মহিলা ৰাষ্ট্ৰীয় আয়োগৰ বৰ্তমানৰ অধ্যক্ষ কোন ?

*(k)* When was the Assam Human Rights Commission formed?

অসম মানৱ অধিকাৰ আয়োগ কেতিয়া গঠন কৰা হৈছিল ?

*(l)* Which Conference accepted 'World Plan of Action'?

কোনখন সন্মিলনে 'বিশ্ব কৰ্ম আঁচনি' গ্ৰহণ কৰিছিল ?

*(m)* "All human rights are universal, indivisible, interdependent and interrelated." Who gave this statement?

"সকলো মানৱ অধিকাৰ সাৰ্বজনীন, অবিভাজ্য, আন্তঃনিৰ্ভৰশীল আৰু পৰস্পৰ সম্পৰ্কযুক্ত।" এই বক্তব্য কোনে আগবঢ়াইছিল ?

(n) Write the full form of UNESCO.

UNESCO-ৰ সম্পূৰ্ণ ৰূপটো লিখা।

(o) In which year was the Dowry Prohibition Act enforced in India?

ভাৰতবৰ্ষত কোন চনত যৌতুক নিষিদ্ধ আইন বলৱৎ কৰা হৈছিল?

(p) Write the full form of ILO.

ILO-ৰ সম্পূৰ্ণ ৰূপটো লিখা।

(q) In which year was the Transgender Persons (Protection of Rights) Bill passed by the Lok Sabha?

কোন চনত হিজড়া ব্যক্তি (অধিকাৰৰ সুৰক্ষা) বিধেয়কখন লোকসভাত গৃহীত হৈছিল?

(r) All human rights of a person below the age of 18 years are known as

(i) human rights

(ii) child rights

(iii) special rights

(iv) legal rights

(Choose the correct answer)

১৮ বছৰৰ তলৰ ব্যক্তিৰ সকলো মানৱ অধিকাৰক জনা যায়

(i) মানৱ অধিকাৰ বুলি

(ii) শিশু অধিকাৰ বুলি

(iii) বিশেষ অধিকাৰ বুলি

(iv) আইনী অধিকাৰ বুলি

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

2. Write very short answers of any *five* from the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ পৰা যি কোনো পাঁচটাৰ অতি চমুকৈ উত্তৰ লিখা :

(a) Mention any two activities of teaching human rights.

মানৱ অধিকাৰ শিক্ষণৰ যি কোনো দুটা কাৰ্য উল্লেখ কৰা।

(b) What is meant by human rights education?

মানৱ অধিকাৰ শিক্ষা বুলিলে কি বুজা?

(c) Write about the right of equality of the Constitution of India.

ভাৰতবৰ্ষৰ সংবিধানৰ সমতাৰ অধিকাৰৰ বিষয়ে লিখা।

( Continued )

(d) Write the provision stated in the Article 26(1) of Universal Declaration of Human Rights.

ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা-পত্ৰৰ ২৬(১) নং অনুচ্ছেদত উল্লেখ কৰা ব্যৱস্থাটো লিখা।

(e) Write any two objectives of the Human Rights Act, 1993.

১৯৯৩ চনৰ মানৱ অধিকাৰ আইনৰ যি কোনো দুটা উদ্দেশ্য লিখা।

(f) Mention any two goals of the National Commission for Protection of Child Rights.

শিশু অধিকাৰ সুৰক্ষাৰ বাবে ৰাষ্ট্ৰীয় আয়োগৰ যি কোনো দুটা লক্ষ্য উল্লেখ কৰা।

(g) Write any two functions of UNESCO.

ইউনেস্ক'ৰ যি কোনো দুটা কাৰ্য লিখা।

(h) Mention any two principles of the United Nations.

ৰাষ্ট্ৰসংঘৰ যি কোনো দুটা নীতি উল্লেখ কৰা।

(i) Why are human rights important for the elderly people?

বৃদ্ধসকলৰ বাবে মানৱ অধিকাৰ কিয় গুৰুত্বপূৰ্ণ?

*(j)* Write any two causes of violence against children.

শিশুৰ বিৰুদ্ধে কৰা উৎপীড়নৰ যি কোনো দুটা কাৰণ লিখা।

3. Write short notes on any *four* from the following : 5×4=20

তলত দিয়াসমূহৰ পৰা যি কোনো চাৰিটাৰ চমু টোকা লিখা :

*(a)* Principles of Human Rights Education

মানৱ অধিকাৰ শিক্ষাৰ নীতিবোৰ

*(b)* Nature of human rights

মানৱ অধিকাৰৰ প্ৰকৃতি

*(c)* Preamble of Universal Declaration of Human Rights by the United Nations

ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা-পত্ৰৰ প্ৰস্তাৱনা

*(d)* Role of the Supreme Court in protection of human rights.

মানৱ অধিকাৰৰ সুৰক্ষাৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ ভূমিকা

( Continued

*(e)* Role of Government in protection of human rights

মানৱ অধিকাৰৰ সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ ভূমিকা

*(f)* Human rights for minorities

সংখ্যালঘুসকলৰ বাবে মানৱ অধিকাৰ

*(g)* Role of mass media in promoting human rights

মানৱ অধিকাৰৰ প্ৰসাৰৰ ক্ষেত্ৰত গণ-মাধ্যমৰ ভূমিকা

*(h)* Importance of human rights for refugees

শৰণাৰ্থীসকলৰ বাবে মানৱ অধিকাৰৰ গুৰুত্ব

4. Answer any *four* from the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ পৰা যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

*(a)* What is meant by human rights? Explain the scope of human rights. 2+8=10

মানৱ অধিকাৰ বুলিলে কি বুজা? মানৱ অধিকাৰৰ পৰিসৰ ব্যাখ্যা কৰা।

*(b)* How to impart human rights education at secondary and higher level of education? Discuss.

মাধ্যমিক আৰু উচ্চ পৰ্যায়ৰ শিক্ষাত মানৱ অধিকাৰ শিক্ষা কেনেকৈ প্ৰদান কৰিব পাৰি? আলোচনা কৰা।

( Turn Over )

(c) Describe the significance of human rights education in our country.

আমাৰ দেশত মানৱ অধিকাৰ শিক্ষাৰ তাৎপৰ্য বৰ্ণনা কৰা।

(d) Write an essay on the relationship between human rights and the Constitution of India.

মানৱ অধিকাৰ আৰু ভাৰতবৰ্ষৰ সংবিধানৰ মাজৰ সম্পৰ্কৰ ওপৰত এখন ৰচনা লিখা।

(e) Evaluate the role of the National Human Rights Commission in promoting and protecting the human rights in India.

ভাৰতবৰ্ষত মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সুৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ ভূমিকা মূল্যায়ন কৰা।

(f) Write about the significance of different rights stated in the United Nations Declaration of Human Rights in 1948.

১৯৪৮ চনত ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰৰ ঘোষণা-পত্ৰত উল্লেখ কৰা বিভিন্ন অধিকাৰবোৰৰ তাৎপৰ্যৰ বিষয়ে লিখা।

(g) Discuss about the role of Non-Governmental Organisations in protecting human rights in India.

ভাৰতবৰ্ষত মানৱ অধিকাৰৰ সুৰক্ষাৰ ক্ষেত্ৰত বেচৰকাৰী সংস্থাসমূহৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

(h) Discuss about the different aspects explained in the Vienna Declaration about human rights education.

মানৱ অধিকাৰ শিক্ষাৰ বিষয়ে ভিয়েনা ঘোষণা-পত্ৰত ব্যাখ্যা কৰা বিভিন্ন দিশসমূহৰ বিষয়ে আলোচনা কৰা।

(i) Write a note on human rights related to differently abled people.

বিশেষভাৱে সক্ষম ব্যক্তিৰ লগত সম্বন্ধিত মানৱ অধিকাৰৰ ওপৰত এটা টোকা লিখা।

(j) Describe about the composition and functions of the National Commission for protection of child rights.

শিশু অধিকাৰ সুৰক্ষাৰ বাবে ৰাষ্ট্ৰীয় আয়োগৰ গঠন আৰু কাৰ্যাৱলীৰ বিষয়ে বৰ্ণনা কৰা।

OPTION—D

Paper : EDU–RE–5046

**( Teacher Education in India )**

1. Answer any *ten* from the following as directed : 1×10=1

তলত দিয়াসমূহৰ পৰা নিৰ্দেশানুসৰি যি কোনো দহটাৰ উত্তৰ দিয়া :

(a) Teacher education = _____ + pedagogical theory + professional skills.

(Fill in the blank)

শিক্ষকৰ শিক্ষা = _____ + শিক্ষাদানশৈলীৰ তত্ত্ব + বৃত্তিগত কৌশল।

(খালী ঠাই পূৰ কৰা)

(b) Who started the first formal teacher training school in India?

ভাৰতবৰ্ষত প্ৰথম আনুষ্ঠানিক শিক্ষকৰ প্ৰশিক্ষণৰ বিদ্যালয় কোনে আৰম্ভ কৰিছিল?

(c) In which year was the first normal school in India established?

কোন চনত ভাৰতবৰ্ষত প্ৰথমখন নৰ্মাল স্কুল স্থাপন কৰা হৈছিল?

(d) Write the full form of DIET.

DIET-ৰ সম্পূৰ্ণ আকাৰটো লিখা।



( Continued

(e) When was NCERT constituted?

NCERT কোন চনত গঠন কৰা হৈছিল?

(f) Write the full form of NCTE.

NCTE-ৰ সম্পূৰ্ণ আকাৰটো লিখা।

(g) Mention any one recommendation of the Secondary Education Commission, 1952–53 on teacher education.

১৯৫২–৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগে শিক্ষকৰ শিক্ষাৰ ওপৰত আগবঢ়োৱা যি কোনো এটা পৰামৰ্শ লিখা।

(h) Where is the main office of NCTE located?

NCTE-ৰ মুখ্য কাৰ্যালয় ক'ত অৱস্থিত?

(i) Mention one limitation of SSST.

SSST-ৰ এটা সীমাবদ্ধতা উল্লেখ কৰা।

(j) Write the full form of NUEPA.

NUEPA-ৰ সম্পূৰ্ণ আকাৰটো লিখা।

(k) Mention any one objective of teacher education for pre-primary education stage.

প্ৰাক্-প্ৰাথমিক শিক্ষা স্তৰৰ শিক্ষকৰ শিক্ষাৰ যি কোনো এটা উদ্দেশ্য উল্লেখ কৰা।

*(l)* SCERT, Assam was established in the year _____.

(Fill in the blank)

SCERT, অসম _____ চনত প্ৰতিষ্ঠা কৰা হৈছিল।

(খালী ঠাই পূৰ কৰা)

*(m)* How many regional colleges of education are there in India?

ভাৰতবৰ্ষত কিমানখন আঞ্চলিক শিক্ষণ মহাবিদ্যালয় আছে?

*(n)* Mention one objective of NUEPA.

NUEPA-ৰ এটা উদ্দেশ্য উল্লেখ কৰা।

*(o)* Mention any one specific objective of teacher education for vocational stream of higher secondary stage of education.

উচ্চতৰ মাধ্যমিক শিক্ষা স্তৰৰ বৃত্তীয় শাখাৰ শিক্ষকৰ শিক্ষাৰ যি কোনো এটা বিশেষ উদ্দেশ্য উল্লেখ কৰা।

*(p)* Write one need of teacher education in 21st Century.

একবিংশ শতিকাত শিক্ষকৰ শিক্ষাৰ এটা প্ৰয়োজনীয়তা উল্লেখ কৰা।

(q) Write one quality of a competent secondary school teacher.

এজন দক্ষ মাধ্যমিক স্তৰৰ শিক্ষকৰ এটা গুণ উল্লেখ কৰা।

(r) "Teachers are literally the arbiters of nation's destiny." Who said this?

"শিক্ষকসকল হৈছে প্ৰকৃত অৰ্থত দেশৰ ভৱিষ্যৎ গঢ়োতা।" এই কথাষাৰ কোনে কৈছিল?

2. Answer briefly any *five* from the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ পৰা যি কোনো পাঁচটাৰ উত্তৰ চমুকৈ লিখা :

(a) Mention any two objectives of teacher education for pre-primary stage.

প্ৰাক্-প্ৰাথমিক স্তৰৰ শিক্ষকৰ শিক্ষাৰ যি কোনো দুটা উদ্দেশ্য উল্লেখ কৰা।

(b) What do you mean by pre-service teacher education?

প্ৰাক্-কৰ্মকালীন শিক্ষকৰ শিক্ষা মানে কি বুজায়?

(c) Mention any two objectives of teacher education for primary stage.

প্ৰাথমিক স্তৰৰ শিক্ষকৰ শিক্ষাৰ যি কোনো দুটা উদ্দেশ্য লিখা।

(d) Define in-service teacher education.

কৰ্মকালীন শিক্ষকৰ শিক্ষা মানে কি?

(e) Define micro-teaching.

অণুশিক্ষণৰ সংজ্ঞা দিয়া।

(f) Write two functions of DIET.

DIET-ৰ দুটা কাৰ্য লিখা।

(g) What is meant by skill-based teacher education?

কৌশলভিত্তিক শিক্ষকৰ শিক্ষা বুলিলে কি বুজায়?

(h) Mention any two objectives of NCERT.

NCERT-ৰ যি কোনো দুটা উদ্দেশ্য লিখা।

(i) Mention any two functions of NCTE.

NCTE-ৰ যি কোনো দুটা কাৰ্য উল্লেখ কৰা।

(j) Mention any two recommendations of the National Education Policy, 1986 regarding teacher education.

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে শিক্ষকৰ শিক্ষা সম্বন্ধে আগবঢ়োৱা যি কোনো দুটা পৰামৰ্শ লিখা।

3. Answer any *four* from the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ পৰা যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Write any five characteristics of teacher education.

শিক্ষকৰ শিক্ষাৰ যি কোনো পাঁচটা বৈশিষ্ট্য লিখা।

(b) Write the differences between pre-service and in-service teacher education.

প্ৰাক-কৰ্মকালীন আৰু কৰ্মকালীন শিক্ষকৰ শিক্ষাৰ মাজৰ পাৰ্থক্য লিখা।

(c) Write the suggestions given by the Kothari Commission for the development of teacher education.

শিক্ষকৰ শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত কোঠাৰী আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ লিখা।

(d) Mention any five characteristics of micro-teaching.

অণুশিক্ষণৰ যি কোনো পাঁচটা বৈশিষ্ট্য লিখা।

(e) Bring out the differences between teacher education and teacher training.

শিক্ষকৰ শিক্ষা আৰু শিক্ষকৰ প্ৰশিক্ষণৰ মাজৰ পাৰ্থক্য দাঙি ধৰা।

(f) Write the main characteristics of the National Curriculum Framework for Teacher Education, 2009.

শিক্ষকৰ শিক্ষাৰ ৰাষ্ট্ৰীয় পাঠ্যক্ৰম কাঠামো, ২০০৯-ৰ প্ৰধান বৈশিষ্ট্যবোৰ লিখা।

(g) Write about the professional ethics of a teacher.

এজন শিক্ষকৰ পেশাগত নীতিসমূহৰ বিষয়ে লিখা।

(h) Write briefly about the importance of in-service teacher education.

কৰ্মকালীন শিক্ষকৰ শিক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়ে চমুকৈ লিখা।

4. Answer any *four* from the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ পৰা যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Discuss about the development of teacher education in India.

ভাৰতবৰ্ষত শিক্ষকৰ শিক্ষাৰ বিকাশ সম্পৰ্কে আলোচনা কৰা।

(b) Write about the problems of teacher education in India.

ভাৰতবৰ্ষত শিক্ষকৰ শিক্ষাত থকা সমস্যাসমূহৰ বিষয়ে লিখা।



( Continued )

(c) Describe about the teacher education at higher education level.

উচ্চ শিক্ষা স্তৰৰ শিক্ষকৰ শিক্ষাৰ বিষয়ে বৰ্ণনা কৰা।

(d) Discuss about the functions of the State Council of Educational Research and Training.

ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ কাৰ্যসমূহ আলোচনা কৰা।

(e) Discuss about the functions of regional college of education in India.

ভাৰতবৰ্ষৰ আঞ্চলিক শিক্ষণ মহাবিদ্যালয়সমূহৰ কাৰ্যৰ বিষয়ে আলোচনা কৰা।

(f) What is teacher education? Discuss the scope of teacher education. 4+6=10

শিক্ষকৰ শিক্ষা কি? শিক্ষকৰ শিক্ষাৰ পৰিসৰৰ বিষয়ে আলোচনা কৰা।

(g) Write about the advantages and disadvantages of micro-teaching. 5+5=10

অণুশিক্ষণৰ সুবিধা আৰু অসুবিধাসমূহৰ বিষয়ে লিখা।

(h) Explain the role of a teacher as a facilitator and counsellor. 5+5=10

সহায়কাৰী আৰু পৰামৰ্শদাতা হিচাপে এজন শিক্ষকৰ ভূমিকাৰ বিষয়ে ব্যাখ্যা কৰা।

*(i)* Explain Flanders' interaction analysis.

ফ্লেনডাৰচ আন্তঃক্রিয়া বিশ্লেষণৰ ব্যাখ্যা কৰা।

*(j)* Discuss about the NCTE Regulations, 2014.

২০১৪ চনৰ NCTE-ৰ নীতিসমূহৰ বিষয়ে আলোচনা কৰা।

★★★